# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-04-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

লোকসভা নিৰ্বাচনত তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰগতিত অব্যাহত আছে। এই উপলক্ষে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কাইলৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ আহিব। নেতাগৰাকীয়ে গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ প্ৰচাৰ চলাব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ নিৰ্বাচনী ভ্ৰমণসূচীৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলা প্ৰশাসনে কেতবোৰ নিৰ্দিষ্ট পথক লৈ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি এই পথসমূহ ড্ৰোন উৰণ আৰু আটচবাজী নিষিদ্ধ এলেকা হিচাপে ঘোষণা কৰা হৈছে। জিলা আয়ুক্ত সুমিত চত্তাৱানে এই নিৰ্দেশ জাৰি কৰিছে। এই অনুসৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা জালুকবাৰী, মালিগাওঁ, চাইকেল ফেক্টৰী তিনিআলি হৈ লালগণেশ পৰ্যন্ত পথছোৱাত এই নিৰ্দেশনা বাহাল থাকিব।

আনহাতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰ সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। নিৰ্বাচনী জনসভাত সম্বোধন কৰি ড° শৰ্মাই কয় যে, বিজেপি আৰু ইউ পি পি এলৰ সন্মিলিত প্ৰচেষ্টাত বিটিআৰত শান্তিৰ পৰিবেশ বিৰাজ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোত উন্নয়ন সম্ভৱপৰ হৈছে বুলিও ড° শৰ্মাই দাবী কৰে। বাওখুংগ্ৰী আৰু পাৰ্বতীঝোৰাত নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰ তথা ৰাজ্যত বিজেপি নেতৃত্বাধীন দ্বৈত ইঞ্জিন চৰকাৰৰ মহিলা সৱলীকৰণৰ ফলপ্ৰসূ আঁচনিসমূহৰ দ্বাৰা অসমৰ নাৰী শক্তি উদ্বুদ্ধ হৈছে বুলি দাবী কৰে। ড° শৰ্মাই সমবেতসকলক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপি মিত্ৰজোঁটক ভোট দিবলৈ আহ্বান জনায়।

ইফালে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি বশিষ্ঠ, বতাহঘুলি, পাঞ্জাবাৰী, সোণাপুৰ, দক্ষিণগাঁও আৰু কাহিলিপাৰাকে ধৰি মহানগৰীৰ কেইবাটাও স্থানত প্ৰচাৰ চলায়। দিছপুৰ বিধানসভা সমষ্টিৰ বিধায়ক অতুল বৰাৰ উপস্থিতিত শ্ৰীমেধিয়ে বশিষ্ঠৰ পাটৰকুচিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি নিৰ্বাচনত জয়লাভ কৰিলে বিজেপি চৰকাৰৰ তত্বাৱধানত উন্নয়নমূলক আঁচনিসমূহৰ কাম সুচাৰুৰূপে চলাই নিব বুলি প্ৰতিশ্ৰুতি দিয়ে। বিয়লিৰ ভাগত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ মন্ত্ৰী ডাঃ ৰণোজ পেগু, যোগেন মহন, অজন্তা নেওগ আৰু বিমল বৰাই মহানগৰীৰ কেইবাটাও স্থানত প্ৰচাৰ চলায়। ইফালে গুৱাহাটী লোকসভা সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীয়েও আজি গুৱাহাটীৰ সমীপৱৰ্তী ৰাণীত নিৰ্বাচনী প্ৰচাৰ চলায়। এই প্ৰচাৰ অভিযানত শাসকপক্ষক সমালোচনা কৰি কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীয়ে জনসাধাৰণক বিবেক ভোট দিবলৈ আহ্বান জনায়। অসম গণ পৰিষদৰ সভাপতি অতুল বৰা আৰু বিজেপি নেতা তথা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি বৰপেটা লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ সৈতে নলবাৰীত বাইক ৰেলীৰ লগতে বিভিন্ন স্থানত নিৰ্বাচনী সভা অনুষ্ঠিত কৰে। আনহাতে সমষ্টিটোৰ এছ ইউ চি আইৰ প্ৰাৰ্থী ডাঃ চিত্ৰলেখা দাসে নিৰ্বাচনী প্ৰচাৰ অভিযানত সৰু পথ সভাৰে ভোটাৰৰ মনোযোগ আকৰ্ষণৰ চেষ্টা কৰে। সমাজ পৰিৱৰ্তন আৰু শ্ৰমজীৱী মানুহৰ অভাৱ-অভিযোগ তথা সমস্যাৰ হকে মাত মতাৰ প্ৰতিশ্ৰুতিৰে নিৰ্বাচনী যুঁজত নমা প্ৰাৰ্থীগৰাকীয়ে শাসকপক্ষক সমালোচনা কৰে।

ধুবুৰী লোকসভা সমষ্টিৰ এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থী তথা সাংসদ মৌলানা বদৰুদ্দিন আজমলে আজি সমষ্টিটোৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ ভেল্টাৰঘাটত এখন নিৰ্বাচনী সভা অনুষ্ঠিত কৰে। সভাত প্ৰাৰ্থীগৰাকীয়ে প্ৰতিদ্বন্দ্বীসকলক সমালোচনা কৰি তেওঁ বিগত তিনিটা কাৰ্যকালত কৰি অহা উন্নয়নমূলক কামৰ খতিয়ান দাঙি ধৰে। ইফালে সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী ৰকিবুল হুছেইনে ধুবুৰী জিলাৰ চুনাৰিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত

অংশগ্ৰহণ কৰে। সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে অংশগ্ৰহণ কৰে। তেওঁলোকে সমষ্টিটোৰ সৰ্বাংগীন উন্নয়ন আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাতৃত্ববোধ অটুট ৰখাৰ স্বাৰ্থত বিৰোধী প্ৰাৰ্থীগৰাকীৰ সপক্ষে ভোটদান কৰিবলৈ আহ্বান জনায়।

০০০০০০০

অহা ৭ মে'ত হবলগীয়া তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কালি ডাক বেলটযোগে ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। কামৰূপ মহানগৰ জিলা আয়ুক্তই প্ৰকাশ কৰা মতে, টুৱেল্‌ভ-ডি প্ৰপত্ৰৰ জৰিয়তে আবেদন কৰা লোকসকলৰ মাজৰ পৰা যোগ্যতাৰ ভিত্তিত বাচনি কৰা বিশেষভাৱে সক্ষম আৰু ৮৫ বছৰ উৰ্ধৰ লোকসকলৰ বাসগৃহত উপস্থিত হৈ ভোটগ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে গুৱাহাটী লোকসভা সমষ্টিৰ এহেজাৰ ৫৪১ গৰাকী ৮৫ বছৰ উৰ্ধৰ ভোটদাতা থকাৰ বিপৰীতে কেৱল কামৰূপ মহানগৰ জিলাত এহেজাৰ ২২৪ গৰাকী এনে ভোটদাতা আছে। একেদৰে লোকসভা সমষ্টিতো ৫৯৫ গৰাকী বিশেষভাৱে সক্ষম ভোটদাতা থকাৰ লগতে কামৰূপ মহানগৰ জিলাত ৮৯ গৰাকী এনে ভোটদাতা আছে। আনহাতে, ২ মে'ৰ পৰা নিৰ্বাচন প্ৰক্ৰিয়াত নিয়োজিত বিষয়া কৰ্মচাৰী তথা অন্যান্য ব্যক্তিসকলৰ ডাক বেলটযোগে ভোটগ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে এইবাৰ দেশৰ নিৰ্বাচন আয়োগে ১১ টা বিভাগৰ কৰ্মচাৰীৰ বাবে ডাক বেলটযোগে ভোটগ্ৰহণৰ ব্যৱস্থা কৰিছে। কামৰূপ মহানগৰ নিৰ্বাচনী জিলাৰ ডাক বেলট কোষৰ নডেল বিষয়া ড° জীৱন কৃষ্ণ গোস্বামীয়ে প্ৰকাশ কৰা মতে ২ আৰু ৩ মে'ত গুৱাহাটী কমাৰ্ছ কলেজ, দিশপুৰ কলেজ আৰু অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত পুৱা ৯ বজাৰ পৰা বিয়লি ৫ বজালৈ ডাক বেলটযোগে ভোটগ্ৰহণ কৰা হ'ব। নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া কৰ্মচাৰীসকলে ২ ৰ পৰা ৫ মে'ৰ ভিতৰত কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়তো ভোটদান কৰিব পাৰিব।

০০০০০০০০

অসম চৰকাৰ আৰু টাটা ট্ৰাষ্টৰ যুটীয়া উদ্যোগত অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ পৰিচালনাত ৰাজ্যৰ ৭খন ঠাইৰ লগতে তেজপুৰত স্থাপন কৰা কেন্দ্ৰটোৱে আজি তৃতীয় বছৰত পদাৰ্পণ কৰে। এই উপলক্ষে তেজপুৰ কেন্সাৰ চেণ্টাৰত অনুষ্ঠিত এখন সভাত কেন্দ্ৰটোৰ অধীক্ষক অৱসৰপ্ৰাপ্ত লেফ্‌টেনেণ্ট কৰ্নেল ডাঃ সঞ্জীৱ হাজৰিকাই যোৱা দুটা বছৰত কেন্দ্ৰটোৱে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। তেওঁ শোণিতপুৰ জিলাৰ লগতে নগাঁও, ওদালগুৰি, দৰং আৰু অৰুণাচল প্ৰদেশৰ ৫ হাজাৰ ৬৬৫ গৰাকী কৰ্কট ৰোগীয়ে কেন্দ্ৰটোত চিকিৎসাৰ বাবে নাম পঞ্জীয়ন কৰাৰ বিষয়ে প্ৰকাশ কৰে। সভাত তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ কৰুণা হাজৰিকা, কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ ভেংকট প্ৰদীপ বাবু, ডাঃ সঞ্জীৱ কুমাৰ গুপ্তা প্ৰমুখ্যে বিশিষ্ট লোকসকলে অংশগ্ৰহণ কৰে। ইফালে লখিমপুৰ কৰ্কট চেণ্টাৰৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱস উপলক্ষে কেন্দ্ৰটোৰ প্ৰেক্ষাগৃহত স্তন কৰ্কট ৰোগৰ সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত কেইবাগৰাকীও বিশিষ্ট চিকিৎসকে কৰ্কট ৰোগ প্ৰতিৰোধ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। তেওঁলোকে প্ৰাথমিক পৰ্যায়তে এই ৰোগৰ চিকিৎসা গ্ৰহণ কৰিলে কৰ্কট ৰোগৰ পৰা সম্পূৰ্ণৰূপে আৰোগ্য লাভ কৰিব পৰা যায় বুলি উল্লেখ কৰে। আজিৰ অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বাটৰ নাট প্ৰদৰ্শন কৰাৰ লগতে কৰ্কট ৰোগৰ পৰা আৰোগ্য লাভ কৰা দুগৰাকী মহিলাক সম্বৰ্ধনা জনোৱা হয়।

০০০০০০০০

**সমাপ্ত**